**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 31-03-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::::**

HEDLINE

১। ডিব্ৰুগড় জিলাৰ পৰা সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ। তিনিচুকীয়া, চৰাইদেউ আৰু শিৱসাগৰ জিলাত আইনৰ ম্যাদ আৰু ছমাহলৈ বৃদ্ধি।

২। ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনী প্ৰচাৰৰ আজি বিয়লি ৩ বজাত সামৰণি।

৩। দেশৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ঈদ-উল-ফিতৰ উদযাপন। মছজিদ, ঈদগাহত সমূহীয়া নামাজ।

৪। বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মাৰ জন্মদিন উপলক্ষে আজি ৰাজ্যজুৰি ছাত্ৰ দিৱস পালন।

*আৰু*

৫। গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত কালি অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে ৰাজস্থান ৰয়েলছৰ জয়লাভ।

ooooo

কেন্দ্ৰীয় চৰকাৰে অসমৰ ডিব্ৰুগড় জিলাৰ পৰা সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন ১৯৫৮ কাইলৈৰ পৰা প্ৰত্যাহাৰৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। যোৱা ২৪ মাৰ্চত কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ে অসম চৰকাৰক এই বিষয়ে জনাই আনুষ্ঠানিকভাৱে পত্ৰ প্ৰেৰণ কৰে। অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগে কালি সন্ধিয়া এই সম্পৰ্কত জাৰি কৰা অধিসূচনা অনুসৰি ৰাজ্যখনৰ চৰাইদেউ, শিৱসাগৰ আৰু তিনিচুকীয়া জিলাত সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইনৰ ম্যাদ কাইলৈৰ পৰা আৰু ছমাহলৈ বৃদ্ধি কৰা হৈছে। ডিব্ৰুগড় জিলাৰ পৰা আইনখন সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰা হৈছে। উল্লেখযোগ্য যে অসম চৰকাৰে নিষিদ্ধ উগ্ৰপন্থী সংগঠন আলফাৰ স্বাধীনপন্থী গোটহে ৰাজ্যখনৰ বিভিন্ন জিলাত সক্ৰিয় হৈ থকা আৰু কূটঘাতমূলক কাৰ্যকলাপ অব্যাহত ৰখা বুলি কেন্দ্ৰলৈ প্ৰতিবেদন পঠিয়াইছিল আৰু উজনি অসমৰ তিনিচুকীয়া, শিৱসাগৰ আৰু চৰাইদেউ জিলাকহে অশান্ত অঞ্চল হিচাপে পৰৱৰ্তী ছমাহলৈ গণ্য কৰিবলৈ অনুৰোধ জনাইছিল। সেই অনুসৰি কেন্দ্ৰীয় চৰকাৰে এই সম্পৰ্কত আনুষ্ঠানিক অধিসূচনা জাৰি কৰাৰ পাছত অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগে কালি এই সম্পৰ্কত অসমৰ ৰাজ্যপালৰ হৈ অধিসূচনা জাৰি কৰে।

একেদৰে মণিপুৰৰ ১৩ খন আৰক্ষী থানা এলেকা বাদ দি সমগ্ৰ ৰাজ্যখনত পৰৱৰ্তী ছমাহৰ বাবে সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন বলৱৎ ৰখাৰ বাবে গৃহমন্ত্ৰালয়ে সিদ্ধান্ত গ্ৰহণ কৰিছে। অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডতো এই সময়ছোৱাত আইনখন বলৱৎ কৰাৰ কথা গৃহমন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰিছে।

ooooo

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনী প্ৰচাৰৰ আজি সামৰণি পৰিব। পৰহিলৈ হ'বলগীয়া পৰিষদীয় নিৰ্বাচনৰ প্ৰচাৰৰ অন্তিম দিনটোত আজি শাসক-বিৰোধী আটায়ে নিজ নিজ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান চলাব। বিজেপি, অসম গণ পৰিষদ আৰু ৰাভা হাচং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থীৰ হৈ মন্ত্ৰী পীযুষ হাজৰিকাই আজি বিভিন্ন স্থানত প্ৰচাৰ চলাব। একেদৰে কংগ্ৰেছৰ প্ৰাৰ্থীৰ হৈও দলীয় নেতৃত্বই বিভিন্ন স্থানত প্ৰচাৰ চলাই ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাব। বিয়লি ৩ বজাত প্ৰচাৰৰ অন্ত পৰিব।

কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱাল, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই কালি বামুনীগাঁও পৰিষদীয় সমষ্টিৰ মিত্ৰজোটৰ প্ৰাৰ্থী অজিত ৰাভাৰ হৈ প্ৰচাৰ চলায়।

উল্লেখযোগ্য যে গোৱালপাৰা জিলাৰ ১৯টা আৰু কামৰূপ জিলাৰ ১৪টা সমষ্টিত পৰহিলৈ নিৰ্বাচন অনুষ্ঠিত হ'ব। পৰিষদৰ ৪০ খন আসনৰ ভিতৰত ৪ খনৰ বাবে সদস্য মনোনীত কৰা হয়। তিনিখনত এন ডি এৰ প্ৰাৰ্থী তিনিগৰাকী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। ৪ এপ্ৰিলত নিৰ্বাচনত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

ooooo

বিশ্বনাথত আজি ৰাজ্য চৰকাৰৰ বহুমুখী বিকাশৰ অংশ স্বৰূপে বিভিন্ন অভিলাষী প্ৰকল্পৰ আধাৰশিলা আৰু উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দুদিনীয়া ভ্ৰমণসূচীপে বিশ্বনাথত উপস্থিত হ'বলগীয়া মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। মন্ত্ৰী অশোক সিংহল, যোগেন মহন, অসম ৰাজ্যিক পৰিবহন নিগমৰ অধ্যক্ষ পল্লৱ লোচন দাস, সাংসদ ৰঞ্জিত দত্ত, বিধায়ক প্ৰমোদ বৰঠাকুৰ, উৎপল বৰা আৰু দিগন্ত ঘাটোৱাৰেও এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

এই সন্দৰ্ভত আমাৰ বিশ্বনাথৰ সংবাদদাতা অম্লান কাশ্যপ সাহাই এইদৰে জনাইছে-

*(বাইট ঃ অম্লান কাশ্যপ সাহা)*

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কাইলৈ বিশ্বনাথৰ বৰগাং নিউ কেটেলা খেলপথাৰত আত্মসহায়ক গোটৰ অৰ্হতাসম্পন্ন মহিলাক উদ্যমিতা অভিযানৰ অধীনত চেক প্ৰদান কৰিব। মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, অশোক সিংহল, সাংসদ ৰণজিৎ দত্ত আৰু বিধায়ক দিগন্ত ঘাটোৱাৰো উপস্থিত থাকিবলগীয়া এই অনুষ্ঠানত বিহালী বিধানসভা সমষ্টিৰ ২৩ হাজাৰ ৩৭৫ গৰাকী মহিলালৈ প্ৰথম পৰ্যায়ৰ চেক প্ৰদান কৰা হ'ব। পৰ্যায়ক্ৰমে অসমৰ আন আন বিধানসভা সমষ্টিসমূহতো মহিলাসকলক এই চেক প্ৰদান কৰা হ'ব।

ooooo

আজি পৱিত্ৰ ঈদ-উল-ফিটৰ। ৰমজান মাহৰ ৰোজাৰ অন্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে আজি উলহ-মালহেৰে ঈদ উদযাপন কৰিছে। সমূহীয়া নামাজৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ মছজিদ আৰু ঈদগাহসমূহ সজাই তোলা হৈছে। তদুপৰি বাসগৃহসমূহো আটক ধুনীয়াকৈ সজাই তোলাৰ উপৰি অতিথিক আপ্যায়নৰ বাবে ঘৰে ঘৰে সুস্বাদু খাদ্য সম্ভাৰ প্ৰস্তুত কৰা হৈছে। গুৱাহাটী মহানগৰীৰ ফাঁচিবজাৰ, গণেশগুৰি, হাতীগাওঁকে ধৰি বিভিন্ন অঞ্চলৰ বজাৰসমূহত ঈদৰ সামগ্ৰী ক্ৰয় কৰাৰ বাবে কালি জনসাধাৰণে ভিৰ কৰা পৰিলক্ষিত হয়। ক্ষন্তেক পাছতে বিশ্ব শান্তিৰ কামনাৰে ইছলামধৰ্মী লোকসকলে সমূহীয়া নামাজত অংশ ল'ব।

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে শিৱসাগৰ আৰু হোজাই জিলাৰ বিভিন্ন অঞ্চলত ঈদ উল ফিটৰ উপলক্ষে ব্যাপক উৎসাহ উদ্দীপনাই বিৰাজ কৰিছে। শিৱসাগৰ নগৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ ঈদগাহসমূহৰ লগতে জুম্মা মছজিদসমূহ সজাই-পৰাই তোলা হৈছে।

বৰাক উপত্যকাৰ জিলা কেইখনতো ঈদ-উল-ফিটৰ উপলক্ষে উছৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। কাছাৰ আৰু শ্ৰীভূমি জিলাৰ জনসাধাৰণে ঈদ উদযাপনৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। শ্ৰীভূমি জিলাত ৯ বজাত ঈদৰ নামাজৰ আয়োজন কৰা হৈছে। তদুপৰি শিশুসকলৰ বাবে সাংস্কৃতিক অনুষ্ঠান, কিৰাট আৰু আবৃত্তি অনুষ্ঠানৰো আয়োজন কৰা হৈছে। কাছাৰ জিলাতো উৎসাহ-উদ্দীপনাৰে ঈদ-উল-ফিটৰ উদযাপন কৰিবলৈ লোৱা হৈছে। এই বিষয়ে এয়া শিলচৰৰ পৰা আমাৰ সংবাদদাতা আঁখি দাস –

-ভইচ-

ধুবুৰী, গোৱালপাৰাকে ধৰি অন্যান্য জিলাসমূহতো ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে ঈদ উদযাপন কৰা হৈছে। ধুবুৰীত  ক্ষন্তেক পাছতে সমূহীয়া নামাজৰ বাবে সকলো সাজু হৈছে। এই উৎসৱ শান্তিপূৰ্ণভাৱে উদযাপনৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ঈদ-উল-ফিটৰ উপলক্ষে  অসমৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে বিশ্বাস, কৃতজ্ঞতা আৰু আধ্যাত্মিক পৰিপূৰ্ণতাক প্ৰতিফলিত কৰা এই উৎসৱে জনসাধাৰণৰ মাজত আত্ম-অনুশাসন আৰু নিষ্ঠাৰ মনোভাৱ জাগ্ৰত কৰে বুলি তেওঁ উল্লেখ কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৱিত্ৰ ঈদ-উল-ফিটৰ উপলক্ষে ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ লগতে সমূহ অসমবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

ooooo

বড়ো জনগোষ্ঠীৰ পিতৃস্বৰূপ বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ওপজা দিনটো আজি ছাত্ৰ দিৱস হিচাপে উদযাপন কৰা হৈছে। এই উপলক্ষে ৰাজ্যৰ বিদ্যালয়, মহাবিদ্যালয় আৰু শিক্ষানুষ্ঠানসমূহত বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে আজি কটন বিশ্ববিদ্যালয়ত প্ৰথম বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্ম স্মাৰক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে – শান্তিৰ আৰ্হিস্বৰূপ, বড়োলেণ্ডৰ ৰূপান্তৰ আৰু ভৱিষ্যতৰ লক্ষ্য শীৰ্ষক বিষয়ত বক্তৃতা আগবঢ়াব। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই কাৰ্যসূচীত কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ৰমেশ চন্দ্ৰ ডেকা সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। উল্লেখযোগ্য যে দূৰদৰ্শী আৰু প্ৰতিভাসম্পন্ন উপেন্দ্ৰনাথ ব্ৰহ্মই পদাৰ্থ বিদ্যাত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পাছত কৰ পৰিদৰ্শকৰ চাকৰি ত্যাগ কৰি বড়ো আন্দোলনক নেতৃত্ব দিছিল। জনগোষ্ঠীটোৰ আশা-আকাংক্ষা আৰু সমস্যাসমূহ দূৰ কৰাৰ বাবে তেওঁ গণতান্ত্ৰিক পন্থাৰে প্ৰয়াস চলাইছিল। আজি বডোফাৰ উপজা দিন উপলক্ষে বি টি আৰৰ জিলা কেইখনতো দল-সংগঠনসমূহে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰিছে।

ooooo

ৰাজ্য চৰকাৰে ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বিকাশৰ বাবে বিদ্যালয়তে বিভিন্ন কৌশল বিকাশ সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰিব। শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি ডিব্ৰুগড় জিলাত কেইবাখনো চাহ বাগিচা আদৰ্শ বিদ্যালয় উদ্বোধন কৰি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে শিক্ষাৰ উদ্দেশ্য কেৱল চাকৰি হোৱাৰ পৰিৱৰ্তে এগৰাকী ব্যক্তিক শৃংখলাবদ্ধ ৰূপত গঢ়ি তোলাটো হোৱা উচিত। চৰকাৰে সমগ্ৰ শিক্ষা অসমৰ অধীনত ৰাজ্যৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী, বিশেষকৈ দিব্যাংগসকলে শিক্ষা লাভ কৰাটো নিশ্চিত কৰিব বুলি ডাঃ পেগুৱে উল্লেখ কৰে। দুলীয়াজান সমজিলাৰ অন্তৰ্গত জালনী চাহ বাগিছাৰ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় আৰু চাবুৱাৰ নৱনিৰ্মিত শিয়ালকাটি চাহ বাগিচাৰ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় নৱ-নিৰ্মিত ভৱনৰ উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে ইতিমধ্যে মুকলি হোৱা চাহ বাগিচাৰ আদৰ্শ বিদ্যালয়সমূহে সুন্দৰ প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰে। অনুষ্ঠানত দুলীয়াজানৰ বিধায়ক তেৰছ গোৱালা, দুলীয়াজান সমজিলাৰ আয়ুক্ত অংকুৰ দাসৰ লগতে শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱক উপস্থিত থাকে।

ooooo

যোৰহাট জিলাৰ মৰিয়নি থানাৰ অন্তৰ্গত ভেলোগুৰিত কালি আৰক্ষীয়ে এটা গঁড়ৰ খড়্গ আৰু বুজন পৰিমাণৰ মাদক দ্ৰব্যৰ সৈতে এজন লোকক গ্ৰেপ্তাৰ কৰে। লোকজন উৎপল হাজৰিকা ওৰফে ভাইটি বুলি চিনাক্ত কৰা হৈছে। এই লোকজন দীৰ্ঘদিন ধৰি মাদকদ্ৰব্য সৰবৰাহৰ সৈতে জড়িত থকাৰ অভিযোগ আৰক্ষীয়ে লাভ কৰি যোৱা কেইবামাহ ধৰি তেওঁৰ সন্ধান চলাই আছিল। লোকজনক আৰক্ষীয়ে অধিক তথ্যৰ বাবে সোধা-পোছা কৰি আছে।

ooooo

দৰং জিলাৰ ধূলা থানাৰ অন্তৰ্গত গৰাপৰি নিছপি খেৰাজগাঁৱত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত দুজন মটৰ চাইকেল আৰোহী নিহত হয়। এই দুৰ্ঘটনাটোত আন দুজন আৰোহী গুৰুতৰভাৱে আহত হৈছে। নিহত এজনক খেৰাজ গাঁৱৰ শুকুৰ আলী বুলি চিনাক্ত কৰা হৈছে। আহত ব্যক্তি দুজনক মঙলদৈ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

ooooo

কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আমিনগাঁৱত আজি কামৰূপ জিলা দিৱস পালন কৰা হৈছে। এই উপলক্ষে আজি পুৱা আমিনগাঁৱৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ পৰা আগিয়াঠুৰী পাহাৰলৈ জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰৰ নেতৃত্বত এটা ট্ৰেকিং কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি জিলা আয়ুক্তগৰাকীয়ে আগিয়াঠুৰী পাহাৰক পৰ্যটন ক্ষেত্ৰলৈ পৰিৱৰ্তন কৰা হ'ব বুলি ঘোষণা কৰিছে। জিলা দিৱসৰ সৈতে সংগতি ৰাখি এখন মুকলি সভাৰো আয়োজন কৰা হৈছে। ৰাজ্য চৰকাৰৰ পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে এই মুকলি সভাত অংশগ্ৰহণ কৰিব।

ooooo

NEWS PAPER REV./RNU

গুৱাহাটী অভিমুখী বেংগালুৰু-কামাখ্যা ছুপাৰ ফাষ্ট এক্সপ্ৰেছৰ কালি ১১ টাকৈ ডবা লাইনচ্যুত হৈ এগৰাকী যাত্ৰী নিহত আৰু ৮ গৰাকী যাত্ৰী গুৰুতৰভাৱে আহত হোৱাৰ বাতৰি অসমীয়া প্ৰতিদিন কাকতৰ লগতে দৈনিক অসম, আমাৰ অসম আদি কাকতে প্ৰকাশ কৰিছে।

সাংবাদিকৰ নিৰাপত্তাৰ বাবে কঠোৰ আইনৰ দাবী তুলি কালি গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত সভাৰ বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰীয় পেন্সন আঁচনিত অন্তৰ্ভুক্ত হোৱা কৰ্মচাৰীসকলক পুৰণি পেন্সন আঁচনি সামৰি লোৱা প্ৰক্ৰিয়া আৰম্ভ হৈছে। ৰাজ্য চৰকাৰৰ বিত্ত সচিবে আৰম্ভ কৰা অ' পি এছলৈ পৰিৱৰ্তন কৰা প্ৰক্ৰিয়াৰ এটা বাতৰি দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে।

ব্ৰিটিছৰ দিনতে নিৰ্মিত গুৱাহাটীৰ মাজমজিয়াত অৱস্থিত মহাফেজখানা গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধীকৰণে ভাঙি দিয়াৰ বাতৰিটো আমাৰ অসম কাকতে **শতাব্দী প্ৰাচীন মহাফেজখানা নিশা ভাগি দিয়া হ'ব বুলড'জাৰেৰে** শিৰোনামেৰে প্ৰকাশ কৰিছে।

সমাগত পঞ্চায়ত নিৰ্বাচনত মিত্ৰতা আৰু প্ৰয়োজন সাপেক্ষে বিজেপি আৰু অসম গণ পৰিষদ প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। এই বিষয়কলৈ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত দুয়োটা মিত্ৰদলৰ শীৰ্ষ নেতৃত্বৰ মাজত অনুষ্ঠিত বৈঠকৰ বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

প্ৰাক্তন গৃহমন্ত্ৰী, অসম আন্দোলনৰ শক্তিশালী নেতা তথা অসম চুক্তিৰ অন্যতম স্বাক্ষৰকাৰী প্ৰয়াত ভৃগু কুমাৰ ফুকনৰ একমাত্ৰ সন্তান উপাশা ফুকনৰ মৃত্যুৰ বাতৰিটো আন আন কাকতৰ লগতে অসমীয়া খবৰ কাকতে প্ৰকাশ কৰিছে।

জলবায়ু পৰিৱৰ্তন-গোলকীয় উষ্ণতাৰ বিৰূপ প্ৰভাবৰ ফলস্বৰূপে ৰাজ্যত মাৰ্চ মাহতে মে'ৰ দৰে গৰম অনুভূত হৈছে। বৰষুণৰ অভাৱত পাৰাস্তম্ভ অস্বাভাৱিকভাৱে উৰ্ধৰ্বমুখী হোৱাৰ এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে।

ৰাজ্যৰ ডিব্ৰুগড় জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰৰ লগতে চৰাইদেউ, শিৱসাগৰ আৰু তিনিচুকীয়া জিলাত এই আইনৰ ম্যাদ অহা ছমাহলৈ বৃদ্ধি কৰা হৈছে। মণিপুৰ, নাগালেণ্ড আৰু অৰুণাচলৰ অংশ বিশেষে এই আইনৰ ম্যাদ অহা ছমাহলৈ বৃদ্ধি কৰাৰ বাতৰিটো দ্যা ছেণ্টিনেল কাকতে প্ৰকাশ কৰিছে।

বিধবংসী ভূমিকম্পৰ পাছত ম্যানমাৰ মৃত্যু উপত্যকালৈ পৰিণত হৈছে। এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতৰ।

০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰি ছুপাৰ মাৰ্কেটত যোৱা নিশা অগ্নিকাণ্ড সংঘটিত হয়। এখন গেলামালৰ দোকানত হোৱা অগ্নিকাণ্ডৰ ফলত দোকানখনৰ কেইবালাখ টকাৰ সামগ্ৰী ভস্মীভূত হয়। স্থানীয় লোকে অগ্নি নিৰ্বাপক বাহিনীক খবৰ দিয়াত তাৎক্ষণিকভাৱে জুই নিৰ্বাপণ কৰাটো সম্ভৱ হৈ উঠে। অগ্নিকাণ্ডৰ কাৰণ অৱশ্যে এতিয়াও জানিব পৰা হোৱা নাই।

০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ বাতৰি আৰু কেতবোৰ অনুষ্ঠানৰ সময় কিছু সাল-সলনি কৰা হৈছে। শ্ৰোতাসকলৰ বিপুল দাবীৰ প্ৰতি সঁহাৰি জনাই জনপ্ৰিয় অনুষ্ঠান ‘জিলাৰ ৰেহৰূপ’ কাইলৈৰ পৰা পুনৰ সন্ধিয়াৰ পৰিৱৰ্তে পুৱা৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২০ মিনিটলৈ প্ৰচাৰৰ দিহা কৰা হৈছে। দিনৰ ১০ বজাত প্ৰচাৰিত মুখ্য বাতৰি কাইলৈৰ পৰা ১১ বজাত প্ৰচাৰ কৰা হ’ব। একেদৰে বিবিধ ভাৰতীযোগে পুৱা ৭ বাজি ২৮ মিনিট আৰু নিশা ৮ বাজি ২৮ মিনিটত প্ৰচাৰিত মুখ্য বাতৰিৰ প্ৰচাৰ কাইলৈৰ পৰা বন্ধ কৰা হ’ব।

০০০০০

**গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত কালি নিশা অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছে চেন্নাই চুপাৰ কিংছক ৬ ৰাণৰ ব্যৱধানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি ৰাজস্থান ৰয়েলছে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৮২ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত চেন্নাই চুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৭৬ ৰাণহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়।**

**আজি মুম্বাইৰ ৱাংখাড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানচ কলকাতা নাইট ৰাইডাৰছৰ মুখামুখি হব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।**

০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২১ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত বতৰ শুকান হৈ থাকিব বুলি কেন্দ্ৰই লগতে প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত